# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 13-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মালিগাঁৱৰ বৰিপাৰাৰ তৰুণ সংঘ পুথিভঁৰাল খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ আৰু ডিষ্টিংচন লাভ কৰা মুঠ এহেজাৰ ৫১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক বৃত্তিৰ ধন প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে পিতৃ-মাতৃ আৰু অভিভাৱকসকলক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ লক্ষ্যসমূহক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত দৃঢ়তাৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। তেওঁ লগতে একবিংশ শতিকাৰ প্ৰতিযোগিতা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে কালি চাংসাৰিত আয়োজতি এটা অনুষ্ঠানত শুৱালকুছি আৰু বেজেৰাৰ ছাত্ৰ-ছাত্ৰীসকলক বৃত্তি প্ৰদান কৰে।

০০০০০

আজি ভোগালী বিহুৰ উৰুকা। পৰম্পৰাগতভাৱে চলি অহা মাঘৰ বিহুৰ উৰুকাৰ দিনা ৰাজ্যবাসীয়ে আজি নিশা সমূহীয়া ভোজ-ভাত খোৱাৰ দিহা কৰিছে। গ্ৰামাঞ্চলত মেজি আৰু ভেলাঘৰৰ তলত সমূহীয়া ভোজ-ভাতৰ প্ৰস্তুতি পুৱাতে আৰম্ভ হৈছে। গুৱাহাটীকে ধৰি ৰাজ্যখনৰ নগৰাঞ্চলৰ ৰাইজেও কংক্ৰিটৰ মজিয়াত একেলগে এসাঁজ খোৱাৰ বাবে প্ৰস্তুত হৈছে। ৰাজ্যখনৰ গ্ৰাম্যাঞ্চলৰ কেইবাখনো  বিলত আজি গাঁওবাসীয়ে সমূহীয়াকৈ মাছ ধৰিছে। মাছৰ বজাৰসমূহত আজি পুৱতি নিশাৰে পৰা বিভিন্ন স্থানৰ পৰা মাছ ব্যৱসায়ীসকল উপস্থিত হোৱাৰ লগতে গ্ৰাহকৰো ভিৰ পৰিলক্ষিত হয়।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত বিল, জলাশয়সমূহত আজি পুৱাৰ ভাগত ওচৰৰ গাঁওবাসীক ২ ঘণ্টাৰ বাবে মাছ ধৰিবলৈ উদ্যান কৰ্তৃপক্ষই অনুমতি দিয়ে। মাজুলীৰ বিভিন্ন অঞ্চলত আজি ৰাইজে সমূহীয়াভাৱে মাছ ধৰি আনন্দ উপভোগ কৰে। কোকৰাঝাৰ জিলাৰ বজাৰসমূহত আজি ভোগালীৰ উৰুকাৰ বাবে মাছ বিক্ৰেতা আৰু ক্ৰেতাসকলে ভিৰ কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে।

মাঘ বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমবাসীক শুভেচ্ছা জনাইছে।

মাঘ বিহুত ৰাজ্যখনৰ বিভিন্ন ঠাইত আয়োজন কৰি অহা পৰম্পৰাগত ম'হ যুঁজ আৰু হাজোৰ বুলবুলি চৰাইৰ যুঁজ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত এই বাৰ অনুষ্ঠিত নহয়।

উৰুকাৰ নিশা যাতে ৰাজ্যখনত সুৰাপায়ী চালকৰ দ্বাৰা কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত নহয় তাৰ বাবে পৰিবহন বিভাগে আজি আবেলিৰ পৰা বিভিন্ন স্থানত তালাচীৰ ব্যৱস্থা কৰিছে।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে ধুবুৰী জিলাত ভোগালীক আদৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ বিভিন্ন প্ৰান্তত আজি উৰুকাৰ নিশা ভোজভাত খোৱাৰ বাবে ৰাইজ সাজু হৈছে। জিলাখনৰ গ্ৰামাঞ্চলৰ জীয়ৰী-বোৱাৰীসকল পিঠা-পনা প্ৰস্তুত কৰাত ব্যস্ত হৈ থকাৰ লগতে ঢেঁকীৰ শব্দই চৌদিশ ৰজনজনাই থকা বুলি আমাৰ সংবাদদাতাই জনাইছে। আজি উৰুকা উপলক্ষে জিলাখনৰ গোলকগঞ্জ, গৌৰীপুৰ, বিলাসীপাৰাকে ধৰি বিভিন্ন অঞ্চলৰ মাছৰ বজাৰত অগণন ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হয়। কাইলৈ জিলাখনৰ জনসাধাৰণে বিহু উপলক্ষে পুৱাতে মেজি জ্বলাই পৰম্পৰাগত ৰীতি-নীতিৰে অগ্নিসেৱা কৰাৰ বাবে সাজু হৈছে।

০০০০০

রাজ্যৰ বিভিন্ন ঠাইত মাঘ বিহুত পৰম্পৰাগতভাৱে আয়োজন কৰি অহা ম'হ যুঁজ আৰু হাজোৰ বুলবুলি চৰাইৰ যুঁজ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত এইবাৰ অনুষ্ঠিত নহয়। কামৰূপ জিলাৰ জিলা দণ্ডাধীশে আজি ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত জিলাখনত বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱাবছৰৰ ১৭ ডিচেম্বৰত এখন লেখ আবেদনৰ জৰিয়তে প্ৰদান কৰা চূড়ান্ত ৰায় অনুসৰি ৰাজ্য চৰকাৰে ২০২৩ চনৰ ২৭ ডিচেম্বৰত ম'হ আৰু বুলবুলি চৰাইৰ যুঁজৰ অনুমতি প্ৰদান কৰি জাৰি কৰা অধিসূচনা বন্যপ্ৰাণী সুৰক্ষা আইন, ১৯৭২ আৰু আন বন্যপ্ৰাণী সুৰক্ষা আইনৰ সম্পূৰ্ণ উলংঘন বুলি প্ৰকাশ কৰা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত মাঘ বিহুৰ সময়ছোৱাত এই আইন উলংঘা হোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি উচ্চ ন্যায়ালয়ে এইক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে।

০০০০০

অহা মাহত ৰাজ্যখনত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলনৰ পৰিপ্ৰেক্ষিতত আজি মন্ত্ৰী কেশৱ মহন্তই মালয়েছিয়াৰ উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰৰ কেইবাগৰাকীও প্ৰতিনিধিৰ সৈতে চাৰিখন বৈঠকত মিলিত হয়। প্ৰথমখন বৈঠকত মালয়েছিয়াৰ তৈল খেজুৰ উৎপাদন খণ্ডৰ বিনিয়োগকাৰীসকল আৰু দ্বিতীয়খন বৈঠকত দেশখনৰ আটাইকেইটা বাণিজ্য আৰু উদ্যোগ সংগঠনৰ মুৰব্বীসকল উপস্থিত থাকে। শ্ৰীমহন্তই তৃতীয়খন বৈঠকত মালয়েছিয়াৰ পৰ্যটন খণ্ডৰ প্ৰতিনিধি আৰু চতুৰ্থখনত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সংগঠনৰ নেতৃবৰ্গৰ সৈতে অসমত বিনিয়োগৰ সম্ভাৱনা সম্পৰ্কে আলোচনা কৰে। শ্ৰীমহন্তই এই প্ৰতিনিধিসকলক বিনিয়োগক উদগনি যোগোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে। প্ৰতিনিধিসকলে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। চাৰিখনও বৈঠকত ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যোগ বিভাগৰ সচিব ড০ লক্ষ্মণন এছ্, মালয়েছিয়াত ভাৰতীয় দূতাবাসৰ বাণিজ্য সচিব ড০ অৰবিন্দকে ধৰি শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০

তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ ৰ'হবাৰীৰ পৰ্যটন মেলাত যোৱানিশা সংগীতানুষ্ঠানৰ সময়ত অসুস্থ হৈ পৰা কণ্ঠশিল্পী ৰাজীৱ শদিয়াৰ আজি অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। শ্ৰীসোণোৱালে এটা শোক বাৰ্তাত কয়, যে সামাজিকভাৱে দায়বদ্ধ প্ৰতিভাবান শিল্পী ৰাজীৱ শদিয়াৰ গীত-মাতে সমাজ জীৱনক চিন্তাৰ খোৰাক যোগাইছিল আৰু তেওঁৰ মৃত্যু অসমীয়া সমাজ-সংস্কৃতিৰ বাবে এটা অপূৰণীয় ক্ষতি। উল্লেখযোগ্য যে মঞ্চত গীত পৰিৱেশন কৰি থকাৰ মাজতে হঠাৎ ঢলি পৰা শিল্পীগৰাকীক নিশাই অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। কেইবাঘণ্টা আই চি ইউত ৰখাৰ পাছত চিকিৎসকসকলে তেওঁক মৃত বুলি ঘোষণা কৰে। হৃদৰোগজনিত কাৰণতে শিল্পীগৰাকীৰ মৃত্যু হয় বুলি চিকিৎসকসকলে প্ৰকাশ কৰে। কণ্ঠশিল্পী তৰালী শৰ্মা, বিজেপিৰ মুখপাত্ৰ মনোজ বৰুৱা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, বিধায়ক বলিন চেতিয়াকে ধৰি বিভিন্নজনে শিল্পীগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

০০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি খো খো বিশ্বকাপ ২০২৫ আৰম্ভ হ'ব। ভাৰতীয় অলিম্পিক সংস্থাৰ সহযোগত এই উদ্বোধনী সংস্কৰণত ২০টা পুৰুষ দল আৰু ১৯টা মহিলা দলে অংশগ্ৰহণ কৰিছে। ভাৰতীয় খো খো সংস্থাই এই প্ৰতিযোগিতাৰ বাবে পুৰুষ আৰু মহিলাৰ পৃথকে পৃথকে ১৫ জনীয়া দল ঘোষণা

কৰিছে। প্ৰতীক ৰাইকাই নেতৃত্ব দিবলগীয়া ভাৰতীয় পুৰুষৰ দলটো নেপাল, পেৰু, ব্ৰাজিল আৰু ভূটানৰ সৈতে গ্ৰুপ-এত আছে। প্ৰিয়ংকা ইংলেৰ নেতৃত্বৰ মহিলা দলটো ইৰাণ, মালয়েছিয়া আৰু কোৰিয়াৰ সৈতে গ্ৰুপ-এত আছে। খো খো বিশ্বকাপৰ চূড়ান্ত খেলখন অহা ১৯ জানুৱাৰীত অনুষ্ঠিত হ'ব। আজি নিশা চাৰে ৮ বজাত ভাৰতৰ পুৰুষৰ দলটোৱে নেপালৰ বিৰুদ্ধে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। দূৰদৰ্শনৰ ডি ডি স্পৰ্টছত খেলখনৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব।

ooooo

সমাপ্ত